# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-01-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি প্ৰৱাসী ভাৰতীয় সন্মান প্ৰদান কৰিব।

২। বিকশিত ভাৰত যুৱ নেতা আলোচনা ২০২৫ আজি আৰম্ভ হ'ব।

৩। দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হ'ব।

৪। ৰাষ্ট্ৰসংঘৰ ধবজাবাহী অৰ্থনৈতিক প্ৰতিবেদনত ২০২৫ বৰ্ষত ভাৰতৰ অৰ্থ ব্যৱস্থাৰ বিকাশ হাৰ ৬ দশমিক ৬ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে।

*আৰু*

৫। ওড়িশা এফ চি আৰু চেন্নাইয়িন এফ চিৰ মাজত কালি অনুষ্ঠিত আই এছ এল ফুটবল প্ৰতিযোগিতাৰ খেলখন ২-২ গলত অমীমাংসিত হৈ ৰয়।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ওড়িশাৰ ৰাজধানী ভূৱনেশ্বৰৰ জনতা ময়দানত চলি থকা অষ্টাদশ প্ৰৱাসী ভাৰতীয় দিৱস সন্মিলনত ভাগ ল'ব। যোৱানিশা ভূৱনেশ্বৰত উপস্থিত হোৱা ৰাষ্ট্ৰপতিগৰাকীয়ে সন্মিলনত সমবেত হোৱা প্ৰায় ৭৫ খন দেশৰ প্ৰৱাসী ভাৰতীয় সকলক উদ্দেশ্য কৰি ভাষণ দিব। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে বিভিন্ন ক্ষেত্ৰত লাভ কৰা সাফল্যৰ বাবে একাংশ প্ৰৱাসী ভাৰতীয়ক প্ৰৱাসী ভাৰতীয় সন্মানেৰে বিভূষিত কৰিব। এই সন্মান কোনো প্ৰৱাসী ভাৰতীয়, ভাৰতীয় মূলৰ ব্যক্তি অথবা এন আৰ আই বা পি আই অ'ৰ দ্বাৰা স্থাপন কৰা কোনো সংগঠন বা সংস্থাক প্ৰদান কৰা সৰ্বোচ্চ সন্মান। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি কেন্দ্ৰীয় চৰকাৰ আৰু ওড়িশা চৰকাৰে যুটীয়াভাৱে আয়োজন কৰি এই তিনিদিনীয়া সন্মিলন আনুষ্ঠানিকভাৱে মুকলি কৰে। বুধবাৰে আৰম্ভ হোৱা এই তিনিদিনীয়া সন্মিলনৰ আজি অন্তিম দিন।

ooooo

বিকশিত ভাৰত যুৱ নেতা আলোচনা ২০২৫ আজি নতুন দিল্লীৰ ভাৰত মন্দপমত আৰম্ভ হ'ব। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে কৈছে, যে যুৱক-যুৱতীসকলক বিকশিত ভাৰতৰ বাবে উদ্ভাৱণমূলক সমাধান আগবঢ়োৱাৰ অনন্য মঞ্চ প্ৰদান কৰাই এই তিনিদিনীয়া আলোচনাৰ মূল উদ্দেশ্যে। এই আলোচনাই যুৱ নেতাসকলক ৰাষ্ট্ৰৰ ভৱিষ্যৎ গঢ়াৰ ক্ষেত্ৰত নিজৰ অৱধাৰণাৰ অৱদান আগবঢ়াই নীতি প্ৰণেতা, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বিশিষ্ট ব্যক্তিসকলৰ সৈতে পোনপটীয়াকৈ আলোচনা কৰাৰ সুযোগ প্ৰদান কৰিব। সমগ্ৰ দেশৰ প্ৰায় ৩০ লাখ যুৱ নেতাই বিকশিত ভাৰতৰ বাবে দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে বিভিন্ন অনুষ্ঠানত ভাগ লৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ

কৰিছে। এনে অনুষ্ঠানৰ পৰাই বিকশিত ভাৰত যুৱ নেতা আলোচনাৰ বাবে মুঠ ৩ হাজাৰ প্ৰগতিশীল আৰু উৎসাহী যুৱক-যুৱতীক বাঁচনি কৰা হৈছে। অংশগ্ৰহণকাৰীসকলে ১০টা নিৰ্দিষ্ট বিষয় সন্দৰ্ভত উপস্থাপন কৰিব আৰু প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। ইয়াৰ ভিতৰত বিকাশো-ঐতিহ্যও, বিকশিত ভাৰতৰ বাবে যুৱ প্ৰজন্মৰ সৱলীকৰণ, কৃষি ক্ষেত্ৰৰ উৎপাদন বৃদ্ধি, ভাৰতক বিশ্বৰ ষ্টাৰ্ট আপ ৰাজধানী হিচাপে গঢ়ি তোলা আৰু ভৱিষ্যতৰ বাবে আন্তঃগাঁথনি নিৰ্মাণ অন্যতম।

ooooo

দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হ'ব। অধিসূচনা জাৰি কৰাৰ লগে লগে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়াও আৰম্ভ হ'ব। ইচ্ছুক প্ৰাৰ্থীসকলে ১৭ জানুৱাৰীলৈ মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব আৰু ২০ জানুৱাৰীত মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন হ'ব। ৭০ জনীয়া দিল্লী বিধানসভাৰ বাবে অহা ৫ ফেব্ৰুৱাৰীত নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ৮ ফেব্ৰুৱাৰীত ভোটগণনা কৰা হ'ব। এইবাৰৰ নিৰ্বাচনত ১ কোটি ৫৫ লাখৰো অধিক ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে ভিতৰত ৮৩ লাখৰো অধিক পুৰুষ আৰু ৭১ লাখৰো অধিক মহিলা ভোটাৰ আছে। শাসনাধিস্থিতিত আম আদমী পাৰ্টীয়ে ইতিমধ্যে দিল্লী বিধানসভাৰ আটাইকেইটা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। বিজেপিয়ে বৰ্তমানলৈকে ২৯ গৰাকী আৰু কংগ্ৰেছে ৪৮ গৰাকী প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে।

ooooo

চলিত বৰ্ষৰ এৰো ইণ্ডিয়া প্ৰদৰ্শনীৰ পূৰ্বে আজি নতুন দিল্লীত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত ৰাষ্ট্ৰদূতসকলৰ ঘূৰণীয়া মেজমেল অনুষ্ঠিত হ'ব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা মতে, এই বৈঠকত ভাৰতৰ সৈতে সুসম্পৰ্ক থকা ১৫০ খনতকৈ অধিক দেশৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তসকলে ভাগ ল'ব। এছিয়া সৰ্ববৃহৎ বিমান প্ৰদৰ্শনী এৰো ইণ্ডিয়াৰ পঞ্চদশ সংস্কৰণ অহা ১০ ফেব্ৰুৱাৰীৰ পৰা ১৪ ফেব্ৰুৱাৰীলৈ কৰ্ণাটকৰ বাংগালুৰুৰ য়েলাহাংকাত থকা ভাৰতীয় বায়ুসেনাৰ চাউনীত অনুষ্ঠিত হ'ব। প্ৰদৰ্শনীৰ এই বছৰৰ বিষয়বস্তু হৈছে অপাৰ সুযোগৰ দিশে উড়ণৰ পথ। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা অনুসৰি অনুষ্ঠানৰ প্ৰথম তিনিদিনত বিভাগীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব। ১৩ আৰু ১৪ ফেব্ৰুৱাৰীত জনসাধাৰণে বিমাণ প্ৰদৰ্শনী উপভোগ কৰিব পাৰিব।

ooooo

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি নতুন দিল্লীত কেন্দ্ৰীয় বিদ্যালয়ৰ ৩৪ সংখ্যক ৰাষ্ট্ৰীয় যুৱ সংসদ প্ৰতিযোগিতাৰ বঁটাসমূহ প্ৰদান কৰিব। সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতি যোগে কৈছে, যে কেন্দ্ৰীয় বিদ্যালয় সংগঠনৰ ২৫টা অঞ্চলৰ প্ৰায় ১৫০ খন কেন্দ্ৰীয় বিদ্যালয়ে এই প্ৰতিযোগিতাত ভাগ লয়। বিবৃতিটোত লগতে যুৱ প্ৰজন্মৰ মাজত আত্ম নিয়মানুবৰ্তিতা, ভিন্ন মতৰ প্ৰতি সহিষ্ণুতা আৰু গণতান্ত্ৰিক জীৱন শৈলীৰ অন্য গুণ বিকশাই তোলাই যুৱ সংসদ আঁচনিৰ মূল উদ্দেশ্য বুলি উল্লেখ কৰা হৈছে।

ooooo

ৰাষ্ট্ৰসংঘৰ ধবজাবাহী অৰ্থনৈতিক প্ৰতিবেদনত ২০২৫ বৰ্ষত ভাৰতৰ অৰ্থ ব্যৱস্থাৰ বিকাশ হাৰ ৬ দশমিক ৬ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। ঘাইকৈ সামগ্ৰীৰ ব্যক্তিগত ব্যৱহাৰ আৰু বিনিয়োগৰ বাবে বিকাশ হাৰ বৃদ্ধি পাব বুলি প্ৰতিবেদনত উল্লেখ কৰা হৈছে। কালি জাৰি কৰা ৰাষ্ট্ৰসংঘৰ ২০২৫ বৰ্ষৰ বিশ্ব অৰ্থনৈতিক স্থিতি আৰু সম্ভাৱনা সম্পৰ্কীয় প্ৰতিবেদনত ভাৰতৰ সেৱা খণ্ড আৰু একাংশ নিৰ্মিত সামগ্ৰীৰ ৰপ্তানী বৃদ্ধিক অৰ্থনৈতিক

গতিবিধিৰ মুখ্য কাৰক বুলি কোৱা হৈছে। ইয়াৰ বিপৰীতে ২০২৫ বৰ্ষত চীনৰ অৰ্থ ব্যৱস্থাৰ বিকাশ হাৰ ৪ দশমিক ৮ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। ২০২৪ বৰ্ষত চীনৰ আনুমানিক বৃদ্ধিৰ হাৰ ৪ দশমিক ৯ শতাংশ আছিল।

ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনত ২০২৫ বৰ্ষত বিশ্বজনীন বিকাশৰ হাৰ ২ দশমিক ৮ শতাংশ বুলি অনুমান কৰা হৈছে। ২০২৪ বৰ্ষটো এই হাৰ একেই আছিল। প্ৰতিবেদনৰ প্ৰস্তাৱনাত ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে ২০২৫ বৰ্ষৰ বাবে গোলকীয় সহযোগিতাৰ বাবে আহ্বান জনাই সমৃদ্ধিশালী আৰু বহনক্ষম ভৱিষ্যতৰ দিশে অগ্ৰসৰ হোৱাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে।

00000

কানাডাত ভাৰতীয় মূলৰ সাংসদ চন্দ্ৰ আৰ্য্যই প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডোৰ পদত্যাগৰ পাছত প্ৰধানমন্ত্ৰী পদৰ বাবে নিজৰ প্ৰাৰ্থিত্ব ঘোষণা কৰিছে। অটোবাৰ লিবাৰেল পাৰ্টীৰ সাংসদ। সাংসদ আৰ্য্যই প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হ'লে গ্ৰাহক কাৰ্বন কৰ আঁতৰোৱাৰ লগতে কানাডাক গণতান্ত্ৰিক দেশ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত আগভাগ ল'ব বুলি আশ্বাস দিছে।

কৰ্ণাটকৰ তুমজুৰ জিলাৰ বাসিন্দা শ্ৰীআৰ্য্যই ২০০৬ চনতে কানাডালৈ গৈছিল। তেওঁ ২০১৫ চনত কানাডাৰ যুক্তৰাষ্ট্ৰীয় নিৰ্বাচনত নেপিয়নৰ সাংসদ হিচাপে নিৰ্বাচিত হৈছিল। ২০১৯ আৰু ২০২১ চনত তেওঁ পুনৰ জয়লাভ কৰে। চন্দ্ৰ আৰ্য্যই বৰ্তমান আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় স্থায়ী সমিতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।

00000

মহাকুম্ভ ২০২৫ৰ বিৱৰণী প্ৰচাৰৰ বাবে কুম্ভবাণী নামৰ আকাশবাণীৰ সুকীয়া চেনেলটো আজি উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত মুকলি কৰা হ'ব। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে এই চেনেলটো মুকলি কৰিব। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যমন্ত্ৰী ড° এল মুৰুগানে ভাৰ্চুৱেল ব্যৱস্থাৰে এই অনুষ্ঠানত ভাগ ল'ব। অনুষ্ঠানত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীগৰাকীয়ে কুম্ভ মংগল ধুন মুকলি কৰিব। এই চেনেলটোৰ মাধ্যমেৰে আজিৰে পৰা অহা ২৬ ফেব্ৰুৱাৰী পৰ্যন্ত পুৱা ৫ বাজি ৫৫ মিনিটৰ পৰা নিশা ১০ বাজি ৫ মিনিটলৈ মহাকুম্ভ মেলাৰ সকলো কাৰ্যসূচীৰ বিৱৰণী প্ৰচাৰ কৰা হ'ব।

00000

মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে আজি ৰাজস্থানৰ উদয়পুৰত এটা তিনিদিনীয়া চিন্তন শিৱিৰ মুকলি কৰিব। এই শিৱিৰত ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ প্ৰতিনিধিৰ সৈতে সমগ্ৰ দেশৰ মহিলা তথা শিশুৰ সামগ্ৰিক বিকাশ আৰু কল্যাণৰ সৈতে জড়িত বিষয়সমূহক লৈ আলোচনা কৰা হ'ব। এই শিৱিৰে প্ৰত্যাহ্বান দূৰ কৰাৰ, দিহা পৰামৰ্শ আগবঢ়োৱাৰ আৰু যৌথভাৱে সমস্যা সমাধানৰ প্ৰক্ৰিয়াৰ সৈতে জড়িত হোৱাৰ মঞ্চ প্ৰদান কৰে যাতে চৰকাৰে ৰূপায়ণ কৰা কাৰ্যসূচীসমূহে নিৰ্ধাৰিত জনসাধাৰণৰ আৱশ্যকতা পূৰণ কৰিব পাৰে। অনুষ্ঠানত মহিলা আৰু শিশু বিকাশ ৰাজ্যমন্ত্ৰী সাবিত্ৰী ঠাকুৰ, ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজন লাল শৰ্মা, উপ মুখ্যমন্ত্ৰী দিয়া কুমাৰী আৰু ৰাজ্যখনৰ কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকিব।

00000

ওড়িশা এফ চি আৰু চেন্নাইয়িন এফ চিৰ মাজত কালি চেন্নাইত অনুষ্ঠিত আই এছ এল ফুটবল প্ৰতিযোগিতাৰ খেলখন ২-২ গলত অমীমাংসিত হৈ ৰয়। চেন্নাইয়িন এফ চিয়ে উইলমাৰ জৰ্দান গিলে কম সময়ৰ

ভিতৰত দিয়া দুটাকৈ গলৰ সহায়ত খেলখনৰ দ্বিতীয়াৰ্ধত অগ্ৰগতি লাভ কৰে যদিও ওড়িশা এফ চিয়ে দ'ৰিয়েল্টনৰ গলেৰে প্ৰত্যাৰ্বতনৰ চেষ্টা চলায়। ইয়াৰ পাছতে চেন্নাইয়িন দলৰ মহম্মদ নৱাজৰ আত্মঘাতী গল দিয়ে।

০০০০০

গুজৰাটৰ ৰাজকোটত আজি ভাৰত আৰু আয়াৰলেণ্ডৰ মাজত মহিলাৰ তিনিখনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল অনুষ্ঠিত হ'ব। সৌৰাষ্ট্ৰ ক্ৰিকেট এছোচিয়েচন ষ্টেডিয়ামত হ'বলগীয়া খেলখন দিনৰ ১১ বজাত আৰম্ভ হ'ব। শৃংখলাৰ বাবে স্মৃতি মানধানাক অধিনায়ক আৰু দিপ্তী শৰ্মাক উপ অধিনায়কৰ দায়িত্ব দিয়া হৈছে। হৰমনপ্ৰীত ক'ৰ আৰু ৰেণুকা সিং ঠাকুৰক জিৰণী দিয়া হৈছে। গেবি লিৱিছে আয়াৰলেণ্ড দলক নেতৃত্ব দিব। শৃংখলাৰ দ্বিতীয়খন খেল অহা দেওবাৰে আৰু তৃতীয়খন খেল ১৫ ফেব্ৰুৱাৰীত খেলোৱা হ'ব।

উল্লেখযোগ্য যে, ভাৰতে যোৱা মাহত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অনুষ্ঠিত এদিনীয়া শৃংখলা ৩-০ ফলাফলত হস্তগত কৰিছিল। এই শৃংখলাত স্মৃতি মানধানাই সৰ্বাধিক ১৪৮ ৰান কৰিছিল। ইয়াৰ পূৰ্বে ২০২৩ বৰ্ষৰ টি-টুৱেণ্টি বিশ্বকাপ প্ৰতিযোগিতাৰ সময়ত ভাৰত, আয়াৰলেণ্ডৰ সন্মুখীন হৈছিল। খেলখনত ভাৰতে ৫ ৰানত জয়লাভ কৰিছিল।

০০০০০

**সমাপ্ত**